NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-03-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ আজমগড় জিলাত ৩৪ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ ৭৮২ টা উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি ছত্তিশগড় চৰকাৰৰ মহতাৰি বন্দন যোজনা মুকলি কৰে।

৩। প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ নতুন দিল্লীত শক্তিশালী নাৰী-বিকশিত ভাৰত কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে চৰকাৰী ভ্ৰমণসূচীলৈ কাইলৈ মৰিচাছলৈ যাব।

*আৰু*

৫। ৰঞ্জি ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত বিদৰ্ভই মুম্বাইৰ বিৰুদ্ধে প্ৰথম ইনিংছত আজিৰ দিনটোৰ সামৰণিত ৩ টা উইকেট হেৰুৱাই ৩১ ৰাণ সংগ্ৰহ কৰে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আজমগড় জিলাত ৩৪ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ ৭৮২ টা উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। দুদিনীয়া উত্তৰ প্ৰদেশ ভ্ৰমণৰ আজি দ্বিতীয় দিনা প্ৰধানমন্ত্ৰীয়ে লগতে এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। অনুষ্ঠানত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথকে ধৰি আন কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকে। প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙে লক্ষ্ণৌ বিমান বন্দৰৰ পৰা অনুষ্ঠানত অংশগ্ৰহণ কৰে। আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰা মতে অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, আজমগড় আজি উজ্বলি উঠিছে। তেওঁ কয় যে, এটা সময় আছিল যেতিয়া আন আন ৰাজ্যৰ জনসাধাৰণে দিল্লীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ আহিছিল, আৰু আজি আজমগড়ত এনে অনুষ্ঠানৰ আয়োজন কৰা হৈছে য'ত দেশৰ বিভিন্ন অংশৰ লোকসকল আহি অংশগ্ৰহণ কৰিছেহি। বিজেপি চৰকাৰে সৰু সৰু চহৰ বিলাকৰ উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, আজমগড় বিমানবন্দৰ ১৬ মাহৰ অভিলেখ সময়ত নিৰ্মাণ কৰা হৈছে। ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবলৈ তেওঁৰ চৰকাৰে কাম কৰি আছে বুলিও প্ৰধানমন্ত্ৰীয়ে লগতে মন্তব্য কৰে। পূৰ্বৰ চৰকাৰৰ দৰে কেৱল নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকে উন্নয়নমূলক প্ৰকল্পসমূহ মুকলি কৰা নাই বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে, এই ঘোষণাসমূহ কোনো নিৰ্বাচনী অভিযান নহয়, এয়া হৈছে তেওঁৰ যাত্ৰাৰ অভিযান। তেওঁ লগতে কয় যে, উত্তৰ প্ৰদেশ বৰ্তমান মোদী চৰকাৰে ১০ বছৰ পূৰ্বে দিয়া গেৰাণ্টিৰ সাক্ষী হৈছে।

ইপিনে অসামৰিক বিমান পৰিবহন খণ্ডত উল্লেখনীয় বিকাশ হিচাপে প্ৰধানমন্ত্ৰী মোদীয়ে আজি সমগ্ৰ দেশতে ৯ হাজাৰ ৮০০ কোটি টকাৰো অধিক ব্যয় সাপেক্ষ ১৫টা বিমানবন্দৰৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে

পুনে, কোলহাপুৰ, গোৱালিয়ৰ, জাবলপুৰ, দিল্লী, লক্ষ্ণৌ, আলিগড়, আজমগড়, চিত্ৰকূট, মুৰাদাবাদ, শ্ৰাবস্তি আৰু আদমপুৰ বিমানবন্দৰকে ধৰি মুঠ ১২টা নতুন টাৰ্মিনেল ভৱন উদ্বোধন কৰাৰ লগতে কাড়াপা, শুবলি আৰু বেলগাভি বিমানবন্দৰৰ তিনিটা নতুন টাৰ্মিনেল ভৱনৰ আধাৰশিলা স্থাপন কৰে। তদুপৰি প্ৰধানমন্ত্ৰীয়ে লক্ষ্ণৌ আৰু ৰাঁচীত এটা লাইট হাউচ প্ৰকল্প উদ্বোধন কৰে, য'ত আধুনিক আন্তঃগাঠনি যুক্ত দুহেজাৰো অধিক ফ্লেট নিৰ্মাণ কৰা হৈছে। আনহাতে লক্ষ্ণৌ বিমানবন্দৰত অনুষ্ঠিত এখন বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে, পূৰ্বতে বিমানেৰে ভ্ৰমণ কৰাটো আভিজাত্যৰ পৰিচয় বুলি বিবেচনা কৰা হৈছিল। কিন্তু বিজেপি চৰকাৰে উড়াণ আঁচনিৰ জৰিয়তে আঞ্চলিক যোগাযোগ বৃদ্ধি কৰি ধনী আৰু দুখীয়াৰ মাজৰ পাৰ্থক্য নোহোৱা কৰিলে। বিমান পৰিবহন খণ্ডৰ প্ৰাথমিক আন্তঃগাঁথনিৰ যথেষ্ট উন্নতি হৈছে বুলি উল্লেখ কৰি শ্ৰী সিঙে লগতে কয় যে, ২০১৪ চনত ৭৪ টা বিমান বন্দৰ থকাৰ বিপৰীতে বৰ্তমান দেশত ১৪৯টা বিমানবন্দৰ আছে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে কালি তেওঁৰ সংসদীয় সমষ্টি বাৰানসীত উপস্থিত হয়। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ৰাজ্যখনত ৰে'লৰে, নগৰ উন্নয়ন, পথ পৰিবহণ আৰু শিক্ষা খণ্ডকে ধৰি ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰাৰ লগতে ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৰ্চুৱেল পদ্ধতিৰে ছত্তিশগড় চৰকাৰৰ মহতাৰি বন্দন যোজনা মুকলি কৰে। আঁচনিখনৰ প্ৰথম পৰ্যায়ত শ্ৰী মোদীয়ে প্ৰায় ৭০ লাখ মহিলাৰ একাউণ্টত অনলাইন পদ্ধতিৰে প্ৰথম কিস্তিৰ ৬৫৫ কোটি টকা হস্তান্তৰ কৰে। অনুষ্ঠানত ভাৰ্চুৱেল পদ্ধতিৰে অংশগ্ৰহণ কৰি ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁৰ চৰকাৰে দেশৰ তিনি কোটি মহিলাক লাখপতি বাইদেউত পৰিণত কৰাৰ সংকল্প লৈছে। তেওঁ লগতে এতিয়ালৈ এক কোটিতকৈও অধিক মহিলা লাখপতি বাইদেউ হৈ পৰিছে বুলিও প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে এই মহিলাসকল আৰ্থিকভাৱে সবল হৈ উঠিছে বুলিও তেওঁ উল্লেখ কৰে। আনহাতে ড্ৰোণ বাইদেউ আঁচনিৰ অধীনত চৰকাৰে মহিলাসকলক ড্ৰোণ প্ৰদান কৰাৰ লগতে এইসমূহ ব্যৱহাৰ কৰাৰ প্ৰশিক্ষণ দিব বুলিও তেওঁ সদৰি কৰে। ইয়াৰ জৰিয়তে কৃষি খণ্ডত আধুনিকীকৰণ হোৱাৰ উপৰি মহিলাসকলে অতিৰিক্ত উপাৰ্জনৰ সুবিধা লাভ কৰিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। ছত্তিশগড় চৰকাৰৰ মহতাৰি বন্দন যোজনাৰ অধীনত প্ৰায় ৭০ লাখ মহিলাক প্ৰতি মাহে এহেজাৰকৈ টকা আগবঢ়োৱা হ'ব। ছত্তিশগড়ৰ ১৪৬ টা খণ্ড মুখ্য সদৰত আজি আয়োজিত অনুষ্ঠানত ব্যাপক সংখ্যক মহিলাই অংশগ্ৰহণ কৰে। ৰাজ্যখনৰ ৰাজধানী ৰায়পুৰত আয়োজিত ৰাজ্যিক অনুষ্ঠানত মুখ্যমন্ত্ৰী বিষ্ণু দেউ ছাই তথা অন্যান্য মন্ত্ৰীসকল উপস্থিত থাকে।

oooooooo

কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী স্মৃতি ইৰাণীয়ে আজি ভাৰ্চুৱেল ব্যৱস্থাৰে হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, অৰুণাচল প্ৰদেশ, ছিক্কিম আৰু কেন্দ্ৰীয় শাসিত অঞ্চল লাডাখৰ বৌদ্ধ সম্প্ৰদায়ৰ উন্নয়নৰ বাবে ২২৫ কোটি টকাৰ ব্যয় সাপেক্ষ ৩৮টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহ প্ৰধানমন্ত্ৰী জন বিকাশ কাৰ্যক্ৰমৰ অধীনত ৰূপায়ণ কৰা হৈছে। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, চৰকাৰে বৌদ্ধ সংখ্যালঘুসকলৰ উন্নয়ন আৰু সমৃদ্ধিৰ বাবে বৌদ্ধ উন্নয়ন পৰিকল্পনা গ্ৰহণ কৰিছে। শ্ৰীমতী ইৰাণীয়ে লগতে দিল্লী বিশ্ববিদ্যালয়ৰ এডভান্সড বৌদ্ধ অধ্যয়ন কেন্দ্ৰৰ বিকাশৰ বাবে ৩০ কোটি টকাৰ আৰ্থিক সাহাৰ্যও ঘোষণা কৰে। এই কেন্দ্ৰটোৱে শৈক্ষিক সহযোগিতা, গৱেষণাৰ প্ৰসাৰ, ভাষা সংৰক্ষণ আৰু বৌদ্ধ ধৰ্মীয় লোকসকলৰ দক্ষতা বিকাশৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ

কৰিব। শ্ৰীমতী ইৰাণীয়ে লগতে কয় যে, বৌদ্ধ উন্নয়ন পৰিকল্পনাৰ অধীনত চৰকাৰে অৰুণাচলৰ ১০টা প্ৰকল্পৰ বাবে ৪১ কোটি টকা, ছিক্কিমৰ ১০টা প্ৰকল্পৰ বাবে ৪৩ কোটি ৯৮ লাখ টকা আগবঢ়াইছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত শক্তিশালী নাৰী-বিকশিত ভাৰত কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে **নমো ড্ৰোণ বাইদেউ**সকলে পৰিচালনা কৰা কৃষি ড্ৰোণ প্ৰদৰ্শনীৰ সাক্ষী হ'ব। এই কৃষি ড্ৰোণ প্ৰদৰ্শনীত দেশৰ বিভিন্ন প্ৰান্তৰ ১১ গৰাকী নমো ড্ৰোণ বাইদেৱে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে এহেজাৰ নমো ড্ৰোণ বাইদেউক কৃষি ড্ৰোণ প্ৰদান কৰিব। নমো ড্ৰোণ বাইদেউ আৰু লাখপতি বাইদেউ পদক্ষেপৰ জৰিয়তে মহিলাসকলৰ বিশেষকৈ গ্ৰাম্যাঞ্চলত অৰ্থনৈতিক সবলীকৰণ আৰু বিত্তীয় আত্মনিৰ্ভৰশীলতা বৃদ্ধি কৰাৰ প্ৰয়াস কৰা হৈছে। এই অনুষ্ঠানত দিনদয়াল অন্ত্যোদয়া যোজনা তথা ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা আঁচনিৰ জৰিয়তে সফলতা লাভ কৰা আৰু আন আত্মসহায়ক গোটৰ সদস্যাসকলক অনুপ্ৰাণিত কৰা লাখপতি বাইদেউসকলক প্ৰধানমন্ত্ৰীয়ে সম্বৰ্ধনা জনাব। তেওঁ লগতে আত্মসহায়ক গোটসমূহলৈ প্ৰায় ৮ হাজাৰ কোটি টকাৰ বেংক ঋণো মুকলি কৰি দিব।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে চৰকাৰী ভ্ৰমণসূচীলৈ কাইলৈ মৰিচাছলৈ যাব। শ্ৰীমতী মুৰ্মুৱে অহা ১২ মাৰ্চত অনুষ্ঠিত হ'বলগীয়া মৰিচাছৰ ৰাষ্ট্ৰীয় দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ভাৰতীয় নৌ সেনাৰ দুখন নৌ জাহাজকে ধৰি বাহিনীটোৰ এটা গোটেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। তিনি দিনীয়া ভ্ৰমণকালত শ্ৰীমতী মুৰ্মুৱে মৰিচাছৰ ৰাষ্ট্ৰপতি পৃথ্বীৰাজ সিং ৰূপুন আৰু প্ৰধানমন্ত্ৰী প্ৰবীন্দ কুমাৰ যুগনৌঠৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। শ্ৰীমতী মুৰ্মুৱে মৰিচাছৰ নেচনেল এছেম্বলীৰ অধ্যক্ষ, দেশখনৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ লগতে কেইবাগৰাকীও আগশাৰী নেতাক সাক্ষাৎ কৰিব। ভাৰত আৰু মৰিচাছৰ মাজত শক্তিশালী ঐতিহাসিক, সাংস্কৃতিক, সামাজিক তথা অৰ্থনৈতিক বান্ধোন আছে। দেশখনৰ ৭০ শতাংশ লোক হৈছে ভাৰতীয় মূলৰ। এই সম্পৰ্কক অধিক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু মৰিচাছৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ কুমাৰ যুগনৌঠে ১৪টা বিশেষ প্ৰকল্প যুটীয়াভাৱে মুকলি কৰিব। তদুপৰি কেইবাখনো দ্বিপাক্ষিক চুক্তিৰ বিনিময় হ'ব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, বাণিজ্য আৰু অৰ্থনৈতিক অংশগ্ৰহণ চুক্তি টি ই পি এই যুৱ চামৰ বাবে উন্নয়ন আৰু নিয়োগ সৃষ্টি তথা মুক্ত নিকা আৰু সমভাবাপন্ন বাণিজ্যৰ প্ৰতি উমৈহতীয়া প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত কৰিছে। এটা বাৰ্তাত শ্ৰী মোদীয়ে কয় যে, ২০২৪ চনৰ আজিৰ দিনটোত ভাৰত তথা ছুইজাৰলেণ্ড, ন'ৰৱে, আইছলেণ্ড আৰু লিকটেনষ্টাইনকে ধৰি ইউৰোপীয় মুক্ত বাণিজ্য সংঘ– ই এফ টি এৰ দেশসমূহৰ মাজৰ দ্বিপাক্ষীক সম্পৰ্কৰ বাবে এটা নতুন দিশ উন্মোচিত হোৱাৰ লগতে এই দিনটো ঐতিহাসিক হিচাপে বিবেচিত হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, বিভিন্ন দিশৰ গাঠনিগত পাৰ্থক্য থকা স্বত্বেও অৰ্থনীতিসমূহৰ পৰস্পৰৰ মাজত থকা সম্পৰ্কৰ জৰিয়তে সকলো দেশৰ বাবে সুযোগ সৃষ্টি হৈছে। শ্ৰী মোদীয়ে কয় যে, বিগত ১০ বছৰত ভাৰতৰ অৰ্থনীতিত উল্লেখযোগ্য অগ্ৰগতি সাধিত হৈছে। বিশ্বৰ অৰ্থনীতিত ভাৰতৰ স্থান একাদশ স্থানৰ পৰা পঞ্চম স্থানলৈ উন্নীত হৈছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে ভাৰতৰ পৰৱৰ্তী লক্ষ্য হৈছে বিশ্ব অৰ্থনীতিত পঞ্চম স্থান দখল কৰা। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, ডিজিটেল বাণিজ্য, বেংক ব্যৱস্থা, বিত্তীয় সেৱা, পৰিবহন তথা ৰছদপাতি সৰবৰাহ, ভেষজ, খাদ্য সংশোধন, নিকা শক্তিৰ দৰে বিভিন্ন ক্ষেত্ৰত উদ্ভাৱন, গৱেষণা আৰু বিকাশৰ দিশত

ইউৰোপীয় মুক্ত বাণিজ্য সংঘৰ দেশসমূহৰ গোলকীয় নেতৃত্বই সহযোগিতাৰ নতুন দিশ উন্মোচন কৰিব। শ্ৰী মোদীয়ে কয় যে, ভাৰতে এই দেশসমূহলৈ সম্ভাব্য সকলো সমৰ্থন আগবঢ়োৱাৰ লগতে উদ্যোগ আৰু ব্যৱসায়িক সুচলতা প্ৰদান কৰিব।

০০০০০০০০০

মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত ৰঞ্জি ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত বিদৰ্ভই মুম্বাইৰ বিৰুদ্ধে প্ৰথম ইনিংছত আজিৰ দিনটোৰ সামৰণিত ৩ টা উইকেট হেৰুৱাই ৩১ ৰাণ সংগ্ৰহ কৰে।

ইয়াৰ পূৰ্বে, মুম্বাইয়ে প্ৰথমে বেট ধৰি ২২৪ ৰান সংগ্ৰহ কৰে। দুয়োটা দলেই নিজৰ তালিকাত আৰু এটা ৰঞ্জী ট্ৰফীৰ খিতাপ যোগ দিবলৈ চেষ্টা কৰিব। মুম্বাইয়ে এতিয়ালৈকে ৪৭ খন খেলৰ ৪১ খনত ৰঞ্জীৰ খিতাপ জয় কৰাৰ বিপৰীতে বিদৰ্ভই খেলা দুয়োখন খেলতে খিতাপ জয় কৰিছে।

০০০০০০০০০

সমাপ্ত